# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত হোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা  ৫ খন জিলাৰ মুঠ ৪৪টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ কৰা হয়। পুনৰ ভোটগ্ৰহণ হোৱা কেন্দ্ৰকেইটাৰ ভিতৰত হাইলাকান্দি জিলাৰ সৰ্বাধিক ৩২টা, শ্ৰীভূমিৰ ৮টা, লখিমপুৰত ২টা, গোলাঘাট আৰু মাজুলীৰ এটাকৈ কেন্দ্ৰ আছে। আমাৰ হাইলাকান্দিৰ সংবাদদাতাই জনোৱা মতে কালি জিলাখনৰ আৰু এটা কেন্দ্ৰত পুনৰভোটগ্ৰহণৰ সিদ্ধান্ত লোৱা হয়। বিয়লি চাৰে ৪ বজাত এই ভোটগ্ৰহণৰ সামৰণি পৰিছে। হাইলাকান্দি জিলাত ৬৬ শতাংশৰো অধিক ভোটদান হয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। জিলাখনত ভোটগ্ৰহণ সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আছিল।

শ্ৰীভূমি জিলাৰ ৮টা ভোটগ্ৰহণ কেন্দ্ৰত আজি শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ কৰা হয়। দিনৰ ডেৰ বজালৈ ৭৯৪ গৰাকী ভোটদাতাৰ ভিতৰত ৩৪৭ গৰাকী ভোটদান কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ ৩ নম্বৰ কাচিকটা ৱাৰ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত আজি শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ কৰা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে কেন্দ্ৰটোত ৮৮ দশমিক ১-৬ শতাংশ ভোটদান হৈছে। গোলাঘাটৰ মহুৰা জিলা পৰিষদৰ দিচৈ গাঁও পঞ্চায়ত ৭ নম্বৰ ৱাৰ্ডৰ বাবে গুটুং প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত ভোটগ্ৰহণত ৮৫ দশমিক ৭-৬ শতাংশ ভোটদাতাই ভোটদান কৰে।

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে অহা ১৯ মে'ৰ পৰা জীপ চাফাৰি বন্ধ কৰা হ'ব। প্ৰতিকূল বতৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পথসমূহ বোকাময় হৈ পৰাৰ বাবে কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে উদ্যানখনত যোৱা ৩০ এপ্ৰিলত হাতী ছাফাৰী বন্ধ কৰি দিয়া হৈছিল। অৱশ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বন্ধ হ'লেও পানবাৰী সংৰক্ষিত বনাঞ্চল, বিশ্বনাথৰ পানপুৰ, লাওখোৱা বুঢ়াচাপৰি বনাঞ্চল কিছু দিনৰ বাবে পৰ্যটকৰ বাবে খোলা থাকিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালকে পূৰ্বে জানিবলৈ দিয়া মতে চলিত পৰ্যটন বৰ্ষৰ মাৰ্চলৈকে ৪ লাখ ২০ হাজাৰ পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এইবাৰ প্ৰায় ১৪ হাজাৰ বিদেশী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এই সংখ্যা পূৰ্বৰ বছৰসমূহত অহা বিদেশী পৰ্যটকৰ সংখ্যাৰ দুগুণ। একে সময়তে সমাগত বাৰিষাত হ'ব পৰা বানপানীৰ সৈতে মোকাবিলা কৰিবলৈ সাজু হৈছে বুলিও উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে।

ooooo

গোলাঘাট জিলাৰ খুমটাইৰ বুটলিখোৱাত আজি দুপৰীয়া ৰে'লৰ খুন্দাত এগৰাকী মহিলা নিহত হয়। বি জি এক্সপ্ৰেছৰ খুন্দাত নিহত হোৱা মহিলাগৰাকী খুমটাইৰ কচুপথাৰৰ মুনু গগৈ বুলি জানিব পৰা গৈছে।

০০০০০

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অষ্টাদশ কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱমৰ্মে পশ্চিম কাৰ্বি আংলং জিলাৰ পাঁচখন পৌৰসভাৰ বাবে তদৰ্থ সমিতি গঠন কৰা হৈছে। বৈঠালাংছ' পৌৰসভাৰ বাবে প্ৰদীপ তেৰাঙক, হামৰেণত ৰমেন পাটৰক, ডংকামুকামৰ বাবে তেলিছ ৰাম ৰংহাং, জিৰিকিনডেং পৌৰসভাৰ বাবে ছিং তেৰাং আৰু জেংখা পৌৰসভাৰ বাবে ছাৰসিং ফাংছ'ক অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে। কাইলৈ দিনৰ ১১ বজাত নিৰ্বাচিত পৌৰসভা সমিতিসমূহে শপতগ্ৰহণ কৰিব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০

জাপানৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত দেশখনৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দলে আজি আই আই টি গুৱাহাটীৰ আমিনগাঁৱত থকা আছিয়ান ৱান টেকনিকেল ডেভেলপমেণ্ট চেণ্টাৰ পৰিদৰ্শন কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত এই দলটোৱে কেন্দ্ৰটো পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় আৰু জাপান চৰকাৰৰ উদ্যোগত শীঘ্ৰেই যুৱক-যুৱতীসকলক জাপানীজ ভাষাৰ লগতে বিভিন্ন কাৰিকৰী দিশত প্ৰশিক্ষণৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব বুলি মত পোষণ কৰে। ইয়াৰ ফলত অসমৰ যুৱক-যুৱতীয়ে জাপানত কৰ্মসংস্থাপন লাভ কৰিব পাৰিব বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আশা ব্যক্ত কৰে।

উল্লেখযোগ্য যে দলটোৱে কালি অসমত উপস্থিত হোৱাৰ পাছতে বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটোৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাপানৰ এই দলটোক আদৰণি জনাই কয়, যে এই ভ্ৰমণে অসম আৰু জাপানৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তদুপৰি জাপানী কোম্পানীসমূহক অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগ কৰাৰ প্ৰতি উৎসাহিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত জাপানৰ সৈতে সহযোগিতাৰ বাবে লোৱা পদক্ষেপক দলটোৰ এই ভ্ৰমণে নতুন গতি প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে জাপানৰ নিম্ন সদনৰ অধ্যক্ষগৰাকীক কালি অসমৰ ব্যৱসায়িক তথা ঔদ্যোগিক পৰিৱেশৰ বিষয়ে অৱগত কৰে।

দলটোৱে আজি জাগীৰোডত নিৰ্মীয়মান ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত দলটোৰ লগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষসহ প্ৰতিনিধিৰ দলটো কাইলৈ অসমৰ পৰা উভতি যাব।

০০০০০০০

সমাপ্ত